# ডিম্বেশ্বৰ নেওগ
(১৯০০-১৯৬৬)

## বনঘোষা-গৰখীয়া গীত

প্ৰথমে প্ৰণামো, জয় সৰস্বতী, দ্বিতীয়ে প্ৰণামো হৰি।
কোন জন ঈশ্বৰে, আমাক চৰজিলে, এথানি-এবানি কৰি।।

ঈশ্বৰৰ সৃষ্টি বিনন্দ-বিলাস, প্ৰকৃতিৰ শাসন সুকঠোৰ, চুলি এডালিমানৰো হেৰফেৰ নাই; মানুহৰ অৱস্থা ডলাৰ বগৰীৰ দৰে থান-থিত নোহোৱা। আগত অনন্ত, পিছত অনন্ত; মাজত তিনিহাত এবেগেত দীঘল জীৱনৰ ভেটি। আগলৈ চাবলৈ আহৰি নাই, চালেও পথালি চকুত একো দেখিবলৈ নাই, দৃষ্টিশক্তি চুটি, সেইবাবে দেখি কেৱল বিভীষিকা, কেৱল আন্ধাৰ; দেখি ধাতু উৰি যাব খোজে। কিন্তু কি হ'ব, পিছলৈ যাবৰ উপায় নাই, আগলৈ যাবলৈ সাহ নজন্মে। গতিকে যি দুদিন থকা হয়, গাঁঠিত জীৱ বান্ধি থাকিব লাগে; যেতিয়াই এইদৰে থাকোঁতেই কাল উকলি যায়, তেতিয়াই ৰক্ষা, তেতিয়াই শান্তি; জীৱনৰ যৱনিকা।

এয়ে মানুহৰ জীৱন-যাত্ৰা, আৰু এয়ে উচ্চ কাব্য আৰু উচ্চ সাহিত্যৰো ঘাই বিষয়। নিৰক্ষৰ চহা এটিয়ে এই অনন্ত বেদনা যেনেকৈ অনুভৱ কৰে, সংসাৰৰ মহাজ্ঞানীজনৰ হিয়াতো এই স্বৰ্গীয় নিৰাশাই জীৱনৰ জীয়া-মৰিশালিৰ জুই তেনেকৈয়ে চিৰকাল জ্বলাই থয়। ইয়াৰপৰা নিস্তাৰ পাবৰ উপায় নাই, আৰু উপায় বিচাৰিলেও সি ঘূৰি নিৰুপায়হে কৰে। সাগৰত নাও বুৰা মানুহে আগেদি উটি যোৱা তৃণ কুটা এডালি দেখিলেও সেয়ে তেওঁৰ তৰণৰ উপায় বুলি ভাবি সাবটি ধৰিবলৈ যাওঁতে ঘূৰি সি প্ৰাণবিনাশতহে সহায় কৰে; সংসাৰ-সাগৰত আজন্ম নাও বুৰা জীৱন-যাত্ৰীৰো চিৰকাল সেই দশা।

জীৱনৰ এই 'এথানি-এবানি' অৱস্থাত মানুহৰ সান্ত্বনা কি? ঈশ্বৰ যদি কৰুণাময় হয়, তেওঁ মানুহৰ কৰুণ আৰ্তনাদৰ বাবে এই মায়া-ৰচনা সজাৰ অৰ্থ কি? আৰু প্ৰকৃতিকে বা তেওঁ সংসাৰৰ শাসন ভাৰ দিয়ে কিয়? যি ৰাজদণ্ডৰ কাষত দয়া নাই, ক্ষমা নাই, তেনে কঠোৰতাৰ ৰাজদণ্ড তেওঁ প্ৰকৃতিৰ হাতৰপৰা কাঢ়ি অনা নাই কিয়? তেন্তে ইংৰাজ কবি টেনিছনৰ আৰ্থাৰ ৰজাই ক'বৰ দৰে, যি সৃষ্টিত আমি আছোঁহক, এই নিকুটুমীয়া সৃষ্টি ঘাই বিধাতাৰ মঙ্গল সৃষ্টিৰ বাহিৰৰ কিবা অনুকৰণ মাথোন,—এই সৃষ্টি তেওঁ নিজ হাতে সজা নাই, আৰু যিজনে সাজিছে তেওঁ ইয়াক ভালকৈ গঢ় দিব আৰু গঢ় দি পালিব জনা নাই। সেই

'দ্বিতীয় বিধাতা'হে মানুহৰ এই অনন্ত যাতনা আৰু অনন্ত নিৰাশাৰ তপত খোলাত মানুহপ্ৰাণীক কেউলুটিয়ে ভজাৰ বাবে জগৰীয়া। অসমীয়া নিৰক্ষৰ চহা কবিৰ মুখৰ এই বনৰীয়া নামবোৰো মানুহৰ হৃদয় তলিৰ এই একে স্বৰ্গীয় নিৰাশাৰ পুং ফুটি ওলাইছে মাথোন।

ৰূপ স্বৰ্গীয় বস্তু আৰু অপৰূপৰ পূৰ্ব আভাস। অথচ তিৰোতাৰ ৰূপে কৰিব নোৱাৰে এনে কাম স্বৰ্গ আৰু পাতালৰ সীমাৰ ভিতৰত বিৰল। এজনৰ গুটীয়া জীৱন ক্ষুদ্ৰ কথা, তিৰোতাৰ ৰূপে একোখন মহানগৰী বা একোখন ৰাজ্যৰ ধ্বংস হেলাৰঙে সাধন কৰিছে; হেলেন, ক্লেওপেট্ৰা আদিৰ কাহিনী তাৰেই প্ৰমাণস্বৰূপ। জগতৰ সাহিত্যৰ এটি ডাঙৰ অংশ যেনেকৈ তিৰোতাৰ ৰূপৰ অৰ্চনাই ঢাকি থৈছে, মানুহৰ জীৱনৰো একো একো অধ্যায় সেইদৰে ৰূপৰ জুয়ে অগ্নিকাণ্ডত পৰিণত কৰিছে। তথাপি যি জুয়ে ঘৰ-বাৰী পুৰি মানুহক সৰ্বস্বান্ত কৰে সেই জুই নহ'লে মানুহৰ জীৱন-ধাৰণৰ অনেক সুচল হেৰায়, জাৰকালি জুহালৰ কাষৰ কতনো মোহৰপৰা বঞ্চিত হ'ব লগা হয়। সেইদৰে উষাৰ কোমল প্ৰভাৰ লগত বেলিৰ উম লগা ৰ'দ-কাঁচলিৰ নিচিনাকৈ মদনৰ লগত যৌৱনৰ আৰু যৌৱনৰ লগত ৰূপসুধাৰ, তীব্ৰ তৃষ্ণা ভাবৰ লগত ভাবাৰ্থৰ দৰে সদায় লাগি আৰু জাগি আছে। আকৌ, বসন্তত সদৌ প্ৰকৃতিয়ে জড়তা এৰি প্ৰাণ পৰিগ্ৰহ কৰাৰ দৰে, যৌৱনত মানুহপ্ৰাণ অভিনৱৰূপে সজীৱ হৈ উঠে। জগৎ কল্পনাময়, চিত উৰণীয়া, দিগ-দিগন্তত এক মহোৎসৱৰ বাঁহী; জগতৰ শব্দ, ৰূপ, ৰস, স্পৰ্শ, ঘ্ৰাণ—সকলোটিয়ে এটি এটিকৈ তাঁলে নিমন্ত্ৰি যায়—"বতাহৰ ঢালতে গোন্ধায় মলেমলি, কাৰ বাৰীৰ জনীয়া আম।"

এয়ে অৱশ্যে প্ৰণয়ৰ উচ্ছ্বাস। এই উচ্ছ্বাস, এই অনিবাৰ অনুসন্ধান, "কমোৱা তুলাৰ" দৰেই পাতল, কিয়নো ই অশৰীৰী, কাক বিচাৰি বা কি বিচাৰি প্ৰাণ উতলা হ'ল, তাৰ বাতৰি নাজানে, কেৱল মৃগনাভ হৰিণৰ দৰে নিজতে নিজৰ হৃদয় কস্তুৰি সুমাই লৈ বন-বনান্ত দিগ-দিগন্ত তাৰ অন্বেষণত ঘূৰিব লাগিছে, কোনোবা অচিনাকি জনম-চিনাকিক প্ৰাণ সঁপি দিবলৈ ব্যাকুল হৈ পৰিছে। ইয়াৰ পাছতহে পূৰ্বৰাগৰ পাতনি। এই সন্ধিক্ষণত কল্পনাৰ ধনে শৰীৰী ৰূপে দেখা দিয়াত এইবাৰ প্ৰেম-পূজাৰীক হৃদয়ৰ প্ৰথম পূজাভাগ লৈ মন্দিৰৰ দুৱাৰমুখত থিয় দিয়া দেখা পোৱা হয়। এইখিনিতে পোনৰ দেখা-দেখিতে ওপজা স্নেহ। মানুহৰ অন্তৰত সপোন কোঁৱৰৰ আতিথ্য স্বীকাৰ কৰিবলৈ সাজু নোহোৱাজনে এনে অনুৰাগত বিবেচনাৰ নাটনি বা সংযমহীনতাৰ চোকা গোন্ধ পাব পাৰে সঁচা; কিন্তু আনফালৰপৰা চালে তাত সকলো প্ৰণয় গৰিমা কেন্দ্ৰীভূত; এক মুহূৰ্ততে যেন ই যুগান্তৰৰ শত সোঁৱৰণি এটি এটিকৈ মনত পেলাই দিয়ে;—পূৰ্বজন্মৰ একান্ত-অভিজ্ঞানত কিবা মৃদু অপাৰ্থিৱ বিজুলী শক্তিৰ

প্ৰভাৱত যেন দুয়ো আকৌ পৰস্পৰ আকৃষ্ট হৈ উঠে। কিন্তু এই প্ৰথম দেখা-দেখিত ওপজা প্ৰেমৰ মোহন মন্ত্ৰত মিলন আৰু বিৰহৰ সুৰ একেলগে বাজি উঠে। এনে অনন্তৰ গুণঙ্গ চকুপানী বেজাৰৰ সমল, অথচ অতি আনন্দতো চকুলো ওলায়; গতিকে আনন্দ আৰু বেজাৰ একেটি পুঙৰপৰা ওলোৱাও হ'ব পাৰে, দুয়ো একে 'মৰ্ম'তে আঘাত কৰে। সেই দেখি প্ৰণয়িনীক প্ৰথমে "তাঁতৰে শালতে দেখিবৰেপৰা পেটলৈ যোৱা নাই ভাত", এই অতি আনন্দ স্বৰ্গীয় নিৰাশাৰপৰা সৰহ নিলগত থকা নাই।

মিলন প্ৰায়ে বিজুলীৰ দৰেই তীব্ৰ উজ্জ্বল আৰু ছঁয়ামৰা। সৰহ কি, সংসাৰত ইয়াৰ অস্তিত্ব থাকিব পাৰে, কিন্তু ব্যাপকতা নাই; প্ৰেমৰ স্থিতি বিশেষভাৱে বিৰহত, প্ৰেমত বিৰহ মাথোন সাৰ।

লাহিকৈ কেতেকীৰ পাহি ঐ মইনা, লাহিকৈ কেতেকীৰ পাহি।
বুকুত দিয়ে গ'লি, জীয়া জুই একুৰা, মুখৰ লৈয়ে গ'লি হাঁহি।।

যৌৱন আৰু প্ৰণয়ৰ প্ৰাৰম্ভতে যেতিয়া কিবা হৃদয় ৰোগে বাহ লয়, তেতিয়া বহুতে ভাবে বোলে, কিবা ভেবেলি-লতাৰ বন-দৰবেই তাক ভাল কৰিব; কিন্তু সি মিছা। এপাহি চেনিচম্পা ফুল, তাক দেখিও হেঁপাহ নুগুচে, হাতত লৈ সুঙিও তৃপ্তি নপলায়; সি প্ৰেম-তৃষ্ণা জগাই তুলিব পাৰে সঁচা, কিন্তু তাৰ নিবাৰণৰ উপায় তাত নাই। "চাইনো চাই থাকিলে, হাবিয়াহ নপলায়, নেখালে নুগুচে ভোক", কিন্তু এই "বালিঘাটৰ বেঙেনা" খায়ো জানো ভোক গুচে? কি শাৰীৰিক, কি মানসিক, কোন ক্ষুধা-তৃষ্ণাৰ কেতিয়া "খাই" নিবাৰণ হৈছে? "নেখাই ঐ নোৱাৰি, খালেও নামুৱায়, বাঙ্কৈৰ থুৰি তামোলখনি"—এয়ে অৱস্থাটোৰ প্ৰকৃত সৌন্দৰ্য্য আৰু কাৰুণ্য; তাতেই তাৰ ৰসে ডোঙা বান্ধিছে। স্বৰ্গীয় কবি কুমাৰী তৰু দত্তই ক'বৰ দৰে "হৃদয়-কুসুমে ফুলিলে এবেলি যাবনে দুনাই জাপ?" প্ৰণয়ৰ এনে যাতনাৰ হাত সাৰিবলৈ বুলিয়ে এনে অৱস্থাত বহুতে কৰ্তব্যত শৰণ মাগে; কিন্তু সূৰ্য্যৰ দৰে অনিৰুদ্ধ প্ৰেমেও তাতেই ভূমুকি মাৰি সকলো বিফল কৰি দিয়েগৈ—

তাঁত-বাতি কৰোঁতে, নাহিবি বুলিলোঁ, বহি বৈ আছিলোঁ তাঁত।
মোৰে মূৰে খোৱা, তই যে সোণামুৱা, পিছুৰপৰা লগালি মাত।।
আৰ্হিৰি কণুৱা, গণ ঐ লাহৰি, আৰ্হিৰ কণুৱা গণ।
ৰাখিব পাৰোঁ মই, হাতৰ পানীচলু, ৰাখিব নোৱাৰোঁ মন।।

এইদৰে বিপদে পুনৰ মৰজাহ দিবলৈ মাতি নিয়েহি। এই অৱস্থাটোক শুদা সংযমহীনতা বুলিলে অলপ ভুল কৰা হয়। ই সংসাৰ-খেলৰ ঢৌৰ এধাৰি মালা। সৃষ্টি-পাতনিৰেপৰা মানুহৰ হিয়াত এনে কত শত ঢৌ উঠি মাৰ গৈছে, কিন্তু সেই সত্য চিৰন্তনৰূপে ৰৈ আছে। যৌৱনৰ এই লীলা খন্তেকীয়া মোহৰ সপোন নহয়,

ই গোটেই জীৱন-সপোনৰ লগত জীৱন্ত। এনে নানা বৈষম্যৰ মাজতো অনন্তৰ প্ৰতিধ্বনিয়ে মানুহৰ অন্তৰাত্মা পৰশ নকৰাকৈ নাথাকে। কৌটি কৌটি ব্ৰহ্মাণ্ডৰ বিশাল বিশাল সৌৰজগতৰপৰা ধৰি সূক্ষ্মাতিসূক্ষ্ম বৈজ্ঞানিক অণু-পৰমাণুলৈকে সকলো এক মহতোৰ্মহীয়ান আকৰ্ষণত মুগ্ধ এক বিৰাট প্ৰেম-স্পন্দনত নৃত্যমান। ই মানুহৰ অন্তৰত নিহিত আছে আৰু ছেগ পালেই ই আত্ম-প্ৰকাশৰ সুবিধা নেৰে। এই সুপ্ত আকৰ্ষণ বাটত সম দুৰ্ভগীয়াক লগ পাই ব্যক্ত হৈ উঠে, আৰু তাৰপৰা এই খন্তেকীয়া যাত্ৰাৰ ভিতৰতে যি বহুমূলীয়া সম্বল পায় তাক সি চিৰকলীয়া কৰিবলৈকো বিচাৰে--

পিৰীতি শুদা গুণ, মঙহৰ কেঁচা লোণ, থ'বাঁ যতনেৰে বান্ধি।
কিবা মায়া কৰি, হেৰাব লাগিলে, বিচাৰি নেপাবা কান্দি।।
পৰ্বতে পৰ্বতে, খালোঁ বিৰাজৰা, খোপাত গুজি নিছিলোঁ লোণ।
হাড়ৰ মাজে মাজে, সুমুৱাই আনিছোঁ, সৰুটি চেনাইৰে গুণ।।

পেটৰ জুই আৰু অন্তৰৰ কাম-বাসনা যে সৃষ্টিৰ দুটি প্ৰধান চলন্ত শক্তি তাক নুই কৰিবৰ উপায় নাই। সিহঁত সংসাৰ-ৰথৰ এযুৰি চকা, ইহঁতৰ এটিৰ অবিহনেও সংসাৰ অচল হ'লহেঁতেন। এই কথা বড়িয়াকৈ বুজিয়ে চতুৰা প্ৰকৃতিয়ে দুইটাকে একেলগে সাঙুৰি দিছে। প্ৰথমতে তেওঁ সকলো জীৱৰে মনত কাম-ভাব দিছে, তাৰ ফল সন্তান উৎপাদন; এই সন্তানৰ বাবে আৰু নিজৰ কাৰণেও আহাৰৰ আৱশ্যক হ'ল। এইদৰেই সকলো প্ৰাণীয়ে "জগৎ" নাম সাৰ্থক কৰে। গুৰিতে সৃষ্টিকৰ্তাই প্ৰকৃতিক সৃষ্টি পালনৰ এই দুটি গুপুত মন্ত্ৰ দি নোযোৱা হ'লে প্ৰাণী-সমাজত কোন কাহানি যে ধৰ্মঘট হ'লহেঁতেন, তাৰ ইয়ত্তা নাই। মানুহৰ অন্তৰত যিদৰে সন্তান-পৰম্পৰা এই কাম-ভাবৰ পোনতে অঙ্কুৰ মেলে সি অতি অভাৱনীয়। সন্তান ভূমিষ্ঠ হ'ল, ইকোলা-সিকোলা বগাই সি ডাঙৰ হ'ল; একোৰে শঙ্কা নাই, একোৰে চিন্তা নাই। কিন্তু যেই শৈশৱ পাৰ হ'ল, অঙ্গৰাগ বাঢ়ি উঠিল; নতুন তেজ, নতুন বল বাৰিষাৰ ধলৰ দৰে ওফন্দি আহিবলৈ ধৰিলে। চকুৰ আগত যেন এক অভিনৱ নতুন জগতৰ দুৱাৰ মুকলি হ'ল; প্ৰতি খোজ, প্ৰতি দৃষ্টিত কিবা বাধা পৰিবলৈ ধৰিলে। শঙ্কা-চিন্তা দুয়ো হাত ধৰাধৰি কৰি আগত থিয় হ'লহি; খন্তেক থমকি নিজ দেহত উদ্ভিন্ন নৱযৌৱনৰ লক্ষণ-প্ৰকাশ দেখি চঁক্ খাই উঠিলঙ্গ "ইনৈত বুৰে মাৰি সিনৈতে ওলালে, কাৰে পোহনীয়া উদ। মাটি ফুটি ওলালে, তৰাৰে গজালি....।" বনফুল প্ৰতিভাৰ চহা কবিৰ এই গীতফাকি বিশেষ অৰ্থব্যঞ্জক। নৈত উদ, মাটিত তৰাৰ গজালি আৰু পাটগাভৰুত উদ্ভিন্ন নৱযৌৱনৰ লক্ষণে দেখা দিয়া, সকলো সত্য; কিন্তু অকল স্বাভাৱিক সত্যই নহয়, অভিনৱও। এই অভিনৱ সত্যকে আৰু অভিনৱ কৰিছে তিনিওটি অভিনৱৰ সমাৱেশে, ঘাইকৈ পোনৰটিৰ ভূমিকাই। উদটি পোহনীয়া হ'লেও তেনেই জাতি